# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
# 0000000000

**Date :** 15-04 -2024
**Time :** 07-05 hrs

ASSAMESE MORNING BULLETIN
## HEADLINES

::::::::::::::::::

১। জ্যেষ্ঠ বিজেপি নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি কেৰালাত দ্বিতীয় পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ বাবে কেইবাখনো প্ৰচাৰ সভাত অংশগ্ৰহণ কৰিব।

২। কেন্দ্ৰীয় মন্ত্ৰী অমিত শ্বাহে কৈছে যে, দেশত সংৰক্ষণ ব্যৱস্থা সদায় থাকিব আৰু তেওঁৰ দলে কাকো এই ব্যৱস্থা ধ্বংস কৰাৰ অনুমতি নিদিয়ে।

৩। কিৰ্গিস্তানৰ বিচকেকত অনুষ্ঠিত ছিনিয়ৰ এছিয়ান মল্লযুঁজ প্ৰতিযোগিতাত ভাৰতীয় মহিলা মল্লযুঁজাৰুৰ দলটোৱে দুটা ৰূপ আৰু দুটা ব্ৰঞ্জৰ পদক লাভ কৰিছে।

**আৰু**

৪। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত কালি কলকাতা নাইট ৰাইডাৰ্ছে লক্ষ্ণৌ ছুপাৰ জায়েণ্টছক ৮ উইকেটত পৰাস্ত কৰাৰ বিপৰীতে চেন্নাই ছুপাৰ কিংছে মুম্বাই ইণ্ডিয়ানছক ২০ ৰানত পৰাজিত কৰে।

০০০০০

কেৰালাত দ্বিতীয় পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ বাবে মুখ্য ৰাজনৈতিক দলসমূহৰ নেতাসকলে নিৰ্বাচনী প্ৰচাৰত ভাগ লোৱা পৰিলক্ষিত হৈছে। বিজেপিৰ নিৰ্বাচনী প্ৰচাৰৰ বাবে জ্যেষ্ঠ বিজেপি নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী যোৱা নিশা কেৰালাৰ কোচিত উপস্থিত হয়। প্ৰধানমন্ত্ৰীয়ে আজি পুৱা আলাঠুৰ সংৰক্ষিত সংসদীয় সমষ্টিৰ এন ডি এৰ প্ৰাৰ্থী ড০ টি এন ছাৰাচুৰৰ সমৰ্থনত চিৰুবাট্টানীত এখন জনসভাত ভাগ ল'ব। ইয়াৰ পাছত তেওঁ আট্টিংগলত দলৰ প্ৰাৰ্থী তথা বিদেশ পৰিক্ৰমা বিভাগৰ ৰাজ্যমন্ত্ৰী ভি মুৰুলীধৰণৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলাব। বিয়লিৰ ভাগত তেওঁ নতুন দিল্লীলৈ উভতি যাব। কেন্দ্ৰীয় মন্ত্ৰী ৰাজনাথ সিঙেও অহা বৃহস্পতিবাৰে কেৰালাত প্ৰচাৰ অভিযানত অংশ ল'ব।

ইফালে কংগ্ৰেছ নেতা তথা ৱায়ানাড লোকসভা সমষ্টিৰ প্ৰাৰ্থী ৰাহুল গান্ধীয়ে আজি আৰু কাইলৈ কেৰালাত প্ৰচাৰ অভিযান চলাব। কংগ্ৰেছৰ সভাপতি মল্লিকাৰ্জুন খাৰ্গে আৰু সাধাৰণ সচিব প্ৰিয়ংকা গান্ধীয়ে ক্ৰমে ২০ আৰু ২২ এপ্ৰিলত ৰাজ্যখনত নিৰ্বাচনী প্ৰচাৰত অংশ ল'ব। চি পি আই এমৰ সাধাৰণ সচিব সীতাৰাম য়েছুৰীয়ে আজি কাছাৰগড় আৰু কন্নুৰ সমষ্টিত প্ৰচাৰ অভিযানত অংশগ্ৰহণ কৰিব।

০০০০০

কেন্দ্ৰীয় মন্ত্ৰী তথা জ্যেষ্ঠ বিজেপি নেতা অমিত শ্বাহে কৈছে যে, দেশত সংৰক্ষণ ব্যৱস্থা সদায় থাকিব আৰু তেওঁৰ দলে কাকো এই ব্যৱস্থা ধ্বংস কৰাৰ অনুমতি নিদিয়ে। মহাৰাষ্ট্ৰৰ ভাণ্ডাৰা জিলাৰ চাকোলীত মহামিত্ৰজোঁটৰ প্ৰাৰ্থীৰ সমৰ্থনত এখন নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰি বিজেপিৰ জ্যেষ্ঠ নেতাগৰাকীয়ে এইদৰে কয়। তেওঁ উল্লেখ কৰে যে, দলে সাংস্কৃতিক নীতি নিয়মসমূহ পুনৰুজ্জীৱিত কৰা, সন্ত্ৰাসবাদ ৰোধ কৰা তথা নক্সালবাদক প্ৰায় অন্ত পেলোৱাৰ বাবে কাম কৰিছে। তদুপৰি চৰকাৰে কৃষক, মহিলা আৰু দৰিদ্ৰ লোকসকলৰ জীৱন ধাৰণৰ মান উন্নত কৰিছে বুলিও শ্ৰীশ্বাহে লগতে উল্লেখ কৰে। তেওঁ জনসাধাৰণক উন্নয়নৰ এই পৰিক্ৰমা

অব্যাহত ৰাখিবৰ বাবে বিজেপিৰ প্ৰাৰ্থীগৰাকীৰ জয় নিশ্চিত কৰিবলৈ ভোটদাতাসকলৰ প্ৰতি আহ্বান জনায়। আনহাতে মহাৰাষ্ট্ৰৰ উপ-মুখ্যমন্ত্ৰী দেবেন্দ্ৰ ফাড়নাবিছে কয় যে, মহাযুটীৰ এই সমন্বয় হৈছে বহুল উন্নয়নৰ সমন্বয় আৰু ইয়াৰ ভিতৰত সকলো সামাজিক বিষয় অন্তৰ্ভুক্ত হৈ আছে।

০০০০০

কংগ্ৰেছৰ ৰাষ্ট্ৰীয় সভাপতিমল্লিকাৰ্জুন খাৰ্গেই বিজেপিক তীব্ৰ সমালোচনা কৰি কৈছে যে বিজেপিয়ে কংগ্ৰেছক দুৰ্নীতিৰ বাবে দোষাৰোপ কৰি থকাৰ সময়তে দলটোৰ 23 গৰাকীকৈ প্ৰাক্তন সদস্য দুৰ্নীতিত অভিযুক্ত হৈছে। কালি নাগপুৰৰ গলিবৰ চ ’কত অনুষ্ঠিত এখন নিৰ্বাচনী প্ৰচাৰ সভাত ভাষণ দি তেওঁ কয় যে বিজেপিৰ নেতা সকলে দেশবাসীক সকলো সময়তে কেৱল মিছা প্ৰতিশ্ৰুতি দি আহিছে। নিবনুৱা যুৱক যুৱতীৰ বাবে চাকৰি নাই, জিডিপি ক্ৰমাৎ নিম্নগামী হৈ গৈ আছে। বিজেপিয়ে প্ৰতিশ্ৰুতি দিয়া অনুসৰি চুইছ বেংকৰ ধন ঘূৰাই নানিলে। কংগ্ৰেছৰ শীৰ্ষ নেতাগৰাকীয়ে দেশৰ দৰিদ্ৰ লোক সকলক পৰ্যাপ্ত ঘৰ প্ৰদান নকৰাৰ বাবেও তীব্ৰ সমালোচনা কৰে।

০০০০০

হাৰিয়ানাৰ মুখ্য নিৰ্বাচনী বিষয়া অনুৰাগ আগৰৱালাই জনোৱা মতে ৰাজ্যখনত এতিয়ালৈকে বিভাগটোৱে চি-ভিজিল এপৰ জৰিয়তে এহেজাৰ ৬৬৬টা অভিযোগ লাভ কৰিছে। এই অভিযোগ সমূহৰ ভিতৰত এহেজাৰ ৩৮৩টা অভিযোগ বৈধ হিচাপে বিবেচিত হৈছে আৰু অভিযোগসমূহ বিৰুদ্ধে নিয়ম অনুসৰি ব্যৱস্থা গ্ৰহণ কৰি সমাধান কৰা হৈছে। ইয়াৰ ভিতৰত আম্বালা জিলাত লাভ কৰা সৰ্বাধিক ৩৪৮টা অভিযোগ ইতিমধ্যে সমাধান কৰা হৈছে। একেদৰে , ৰাজ্যখনৰ ৰেৱাৰীত জিলাৰ পৰা লাভ কৰা সৰ্বনিম্ন ৬টা অভিযোগ নিষ্পত্তি কৰা হয়।

০০০০০

ইণ্ডোনেছিয়াৰ দক্ষিণ চুলাৱেছী প্ৰদেশৰ তানা তুৰাজা জিলাত কালি ভূমিস্খলনৰ ফলত কমেও ১৫ জন লোকৰ মৃত্যু হয়। স্থানীয় কৰ্তৃপক্ষই জনোৱা মতে অঞ্চলটোত দুজন ব্যক্তি এতিয়াও সন্ধানহীন হৈ আছে। উদ্ধাৰকাৰী বাহিনীয়ে এটি শিশুকে ধৰি দুজন লোকক ধ্বংসস্তূপৰ মাজৰ পৰা উদ্ধাৰ কৰাৰ বিপৰীতে আৰক্ষী, সেনা তথা স্বেচ্ছাসেৱকসকলে নিৰুদ্দিষ্ট লোককেইজনৰ সন্ধানত উদ্ধাৰ অভিযান অব্যাহত ৰাখিছে। প্ৰতিকূল বতৰ তথা যোগাযোগ ব্যৱস্থাৰ ব্যাঘাতৰ বাবে উদ্ধাৰ অভিযানত জটিলতাৰ সৃষ্টি হৈছে বুলি কৰ্তৃপক্ষই প্ৰকাশ কৰিছে। উল্লেখযোগ্য যে, তানা তুৰাজা জিলা আৰু ইয়াৰ কাষৰীয়া অঞ্চলসমূহত বিগত সপ্তাহজুৰি প্ৰবল বৃষ্টিপাত হৈ আছিল। দেশখনৰ সুমাত্ৰা দ্বীপত যোৱা মাহত আকস্মিক বান আৰু ভূমিস্খলনৰ ফলত নিৰুদ্দিষ্ট হোৱা কমেও ৩০ জন লোক এতিয়াও সন্ধানহীন হৈ আছে।

০০০০০

সমগ্ৰ দেশৰ ২ লাখ ৫০ হাজাৰতকৈ অধিক তীৰ্থ যাত্ৰীয়ে নৱৰাত্ৰীৰ পৰা বৰ্তমানলৈকে বৈষ্ণো দেৱীৰ পৱিত্ৰ গুহা দৰ্শন কৰিছে। পুণ্যতীৰ্থ সমিতিৰ এগৰাকী বিষয়াই প্ৰকাশ কৰা মতে নৱমী পৰ্যন্ত দৰ্শনাৰ্থীৰ ভিৰ অব্যাহত থাকিব। পুণ্যতীৰ্থ সমিতিয়ে দৰ্শনাৰ্থীৰ ভিৰৰ প্ৰতি লক্ষ্য ৰাখি বৈষ্ণো দেৱীৰ তিনিওখন প্ৰৱেশদ্বাৰ মুকলি কৰি দিছে বুলি বিষয়াগৰাকীয়ে প্ৰকাশ কৰে। উল্লেখযোগ্য যে, প্ৰতিদিনে এই পুণ্যতীৰ্থত সেৱা আগবঢ়োৱাৰ বাবে ৪০ হাজাৰৰ পৰা ৫০ হাজাৰ তীৰ্থযাত্ৰী কাত্ৰাত উপস্থিত হৈছে।

০০০০০

কিৰ্গিস্তানৰ বিচকেকত অনুষ্ঠিত ছিনিয়ৰ এছিয়ান মল্লযুজঁ প্ৰতিযোগিতাত ভাৰতীয় মহিলা মল্লযুজাঁৰুৰ দলটোৱে দুটা ৰূপৰ আৰু দুটা ব্ৰঞ্জৰ পদক লাভ কৰিছে। কালি অনুষ্ঠিত মহিলাৰ ৭২ কেজি শাখাৰ এখন খেলত ভাৰতৰ হৰ্ষিতা চীনৰ কুয়ান জিয়াঙৰ হাতত ২-৫ ফলাফলত পৰাস্ত হোৱাৰ বিপৰীতে

অঞ্জু পাংঘাল ৫৩ কেজি শাখাত উত্তৰ কোৰিয়াৰ জি হিয়াং কিমৰ হাতত শূন্য-১০ ফলাফলত পৰাজিত হৈ ৰূপৰ পদকতে সন্তুষ্ট থাকিবলগীয়া হয়।

ইয়াৰ বিপৰীতে মহিলাৰ ৬৫ কেজি শাখাত ভাৰতৰ অন্তিম পাঘালে দক্ষিণ কোৰিয়াৰ ছু বিন কিমক পৰাস্ত কৰি ব্ৰঞ্জৰ পদক লাভ কৰে। সমান্তৰালকৈ মহিলাৰ ৬২ কেজি শাখাত মনীষা ভানৱালাই হাংগেৰীৰ এৰিয়ান জেৰালিন কাৰ্পিঅ'ক পৰাস্ত কৰি ব্ৰঞ্জৰ পদ হস্তগত কৰে।

০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত কলকাতাৰ ইডেন গাৰ্ডেনছত অনুষ্ঠিত এখন খেলত কালি কলকাতা নাইট ৰাইডাৰ্ছে, লক্ষ্ণৌ ছুপাৰ জায়েণ্টছক ৮ উইকেটত পৰাস্ত কৰে। লক্ষ্ণৌ ছুপাৰ জায়েণ্টছে প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ২০ অভাৰত ৭ উইকেটৰ বিনিময়ত ১৬১ ৰান সংগ্ৰহ কৰে। দলটোৰ হৈ নিকোলাছ্ পুৰানে ৪৫ ৰান কৰাৰ লগতে কে এল ৰাহুলে ৩৯ ৰান কৰে। প্ৰত্যুত্তৰত কলকাতা নাইট ৰাইডাৰ্ছে ১৫ অভাৰ ৪টা বলতে বিজয় লক্ষ্যত উপনীত হয়। দলটোৰ হৈ ফিলিপ ছল্টে ৮৯ ৰান কৰি আউট নোহোৱাকৈ থাকে। ছল্টক প্লেয়াৰ অৱ দ্যা মেচ হিচাপে ঘোষণা কৰা হয়।

ইপিনে মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত অনুষ্ঠিত প্ৰতিযোগিতাৰ দ্বিতীয়খন খেলত চেন্নাই ছুপাৰ কিংছে মুম্বাই ইণ্ডিয়ানছক ২০ ৰানত পৰাজিত কৰে। মুম্বাই ইণ্ডিয়ানছে ২০৬ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৬টা উইকেট হেৰুৱাই ১৮৬ ৰানহে কৰিবলৈ সমৰ্থ হয়। দলটোৰ হৈ ৰোহিত শৰ্মাই ১০৫ ৰান কৰি অপৰাজিত হৈ থাকে। চেন্নাইৰ মেথিছা পাথিৰানাই ৪টা উইকেট দখল কৰাৰ লগতে তুষাৰ দেশপাণ্ডে আৰু মুস্তাফিজুৰ ৰহমানে এটাকৈ উইকেট লাভ কৰে। আনহাতে চেন্নাই ছুপাৰ কিংছে প্ৰথমে বেট ধৰি নিৰ্ধাৰিত অভাৰত ৪টা উইকেট হেৰুৱাই ২০৬ ৰান সংগ্ৰহ কৰে। চেন্নাইৰ হৈ ৰুতুৰাজ গাইকোৱাডে ৬৯, শিবম ডুবে ৬৬ আৰু ৰাশ্বিন ৰবীন্দ্ৰই ২১ ৰান কৰে। মেথিছা পাথিৰানাক প্লেয়াৰ অৱ দা মেচ হিচাপে ঘোষণা কৰা হয়। ইয়াৰ পূৰ্বে মুম্বাই ইণ্ডিয়ানছে টছত জিকি প্ৰথমে বলিং কৰাৰ সিদ্ধান্ত লয়।

প্ৰতিযোগিতাত আজি চেন্নাইৰ এম চিন্নাস্বামী ষ্টেডিয়ামত হ'বলগীয়া খেলত ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰ, ছানৰাইজাৰ্ছ হায়দৰাবাদৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত অনুষ্ঠিত হ'ব।

০০০০০

ব্ৰাজিলৰ ৰিঅ ' ডি জেনেইৰ 'ত অনুষ্ঠিত আই এছ এছ এফ অলিম্পিক যোগ্যতা নি ৰ্ণয়কাৰী প্ৰতিযোগিতাৰ কালি অনুষ্ঠিত এখন খেলত মহিলাৰ ১০ মিটাৰ এয়াৰ পিষ্টল শাখাত ভাৰতৰ পলাক গুলিয়াই ব্ৰঞ্জৰ পদক লাভ কৰে। বৰ্তমানৰ এছিয়ান চেম্পিয়নগৰাকীয়ে এই জয়েৰে পেৰিছ অলিম্পিকৰ বাবেও যোগ্যতা অৰ্জন কৰে। পালাকে ২১৭.৬ পইণ্ট সংগ্ৰহ কৰি ফাইনেলত তৃতীয় স্থান লাভ কৰে। এই প্ৰতিযোগিতাত আৰ্মেনিয়াৰ এলমিৰা কাৰাপেটিয়ানে সোণৰ পদক লাভ কৰাৰ বিপৰীতে থাইলেণ্ডৰ কামনলাক ছায়েঞ্চাই ৰূপৰ পদক লাভ কৰে।

আন এগৰাকী ভাৰতীয় খেলুৱৈ ছাইনিয়াম সুৰুচিয়ে ১৭৬.৭ পইণ্টেৰে পঞ্চম স্থান দখল কৰে যদিও অলিম্পিকত খেলাৰ যোগ্যতা অৰ্জন নকৰিলে।

উল্লেখযোগ্য যে এই পৰ্যন্ত ২০ গৰাকী ভাৰতীয় শ্বুটাৰে আগন্তুক পেৰিছ অলিম্পিকৰ বাবে যোগ্যতা অৰ্জন কৰিছে।

০০০০০

সমাপ্ত